# REGIONAL NEWS UNIT
AKASHVANI : GUWAHATI
0000000000

**Date :** 08-05-2024
**Time :** 1800 Hrs

## Assamese Night Bulletin
**::::::::::::::::::::::::::::::::**

ৰাজ্যৰ ৪টা সমষ্টিত কালি লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন হয়। শেহতীয়া তথ্য অনুসৰি ৰাজ্যখনত ৮১ দশমিক ৭-১ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। ইপিনে, ভোটগ্ৰহণ হোৱাৰ পাছত  ই ভি এমসমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ষ্ট্ৰং ৰূমত ৰখা হৈছে। ষ্ট্ৰং ৰূমসমূহত ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে। উল্লেখযোগ্য যে, তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ সমষ্টিত ৬ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল।

উল্লেখযোগ্য যে, কালি বৰপেটা সমষ্টিত ৮২ দশমিক ০-২, ধুবুৰীত ৮৬ দশমিক ৮-০, গুৱাহাটীত ৭৫ দশমিক ৬-৭ আৰু কোকৰাঝাৰ সমষ্টিত ৮০ দশমিক ৪-৪ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে।

oooooo

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত কালি দেশৰ ৯৩টা সমষ্টিত ৬৪ দশমিক ৫-৭ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। এই পৰ্যায়ত ১০খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৩টা সমষ্টিত ভোটগ্ৰহণ কৰা হয়। তৃতীয় পৰ্যায়ত সামৰি লোৱা ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ভিতৰত অসমত ৮১ দশমিক ৭-১ শতাংশ, বিহাৰত ৫৮ দশমিক ১-৮ শতাংশ, ছত্তিশগড়ত প্ৰায় ৭১ শতাংশ, দাদৰা-নগৰ হাভেলি আৰু দমন-দিউত ৬৯ দশমিক ৮-৭ শতাংশ, গুজৰাটত ৫৯ দশমিক ৫-৯ শতাংশ, কৰ্ণাটকত ৭০ দশমিক ৪-১ শতাংশ, গোৱাত ৭৫ দশমিক ২-০ শতাংশ, মধ্যপ্ৰদেশত ৬৬ দশমিক ০-৩ শতাংশ, মহাৰাষ্ট্ৰত ৬১ দশমিক ৪-৪ শতাংশ, উত্তৰ প্ৰদেশত ৫৭ দশমিক ৩-৪ শতাংশ আৰু পশ্চিমবংগত ৭৬ দশমিক ৫-২ শতাংশ ভোটদান হয়।

তৃতীয় পৰ্যায়ত গুজৰাটৰ ২৫টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰৰ ১১টা, উত্তৰ প্ৰদেশৰ ১০টা, মধ্যপ্ৰদেশৰ ৯টা, ছট্টিশগড়ৰ ৭টা, বিহাৰৰ ৫টা, অসমৰ ৪টা, পশ্চিমবংগৰ ৪টা, গোৱাৰ দুটা সমষ্টিৰ লগতে কেন্দ্ৰীয় শাসিত দাদৰা-নগৰ হাভেলি আৰু দমন-ডিউৰ এটাকৈ সমষ্টিক সাঙুৰি লোৱা হয়। তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ লগে লগে দেশৰ ২০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২৮৩টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিল। তৃতীয় পৰ্যায়ত ভোটগ্ৰহণৰ লগে লগে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্য, বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত এলেকা ছত্তিশগড়, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশতো ভোটগ্ৰহণৰ প্ৰক্ৰিয়া সম্পন্ন হয়।

তৃতীয় পৰ্যায়ত মুঠ এহেজাৰ ৩৩১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰা উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত- বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ, মনসুখ মন্দাভিয়া, জ্যোতিৰাদিত্য সিন্ধিয়া, প্ৰহ্লাদ যোশী, শিৱৰাজ সিং চৌহান, বাসৱৰাজ বোম্মাই, কংগ্ৰেছ নেতা দিগ্বিজয় সিং আৰু অধীৰৰঞ্জন চৌধুৰী, সমাজবাদী পাৰ্টীৰ ডিম্পল যাদৱ, এন চি পি শাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া সুলে অন্যতম।

oooooo

গোলাঘাট জিলাৰ মিছামৰাৰ দুলীয়াগাঁৱত শিশু ভাওনাৰ আয়োজন কৰা হৈছে। গাঁওখনৰ ৩০০ বছৰ গৰকা বৰ নামঘৰত পৰম্পৰা অক্ষুণ্ণ ৰাখি এই ভাওনাৰ বাবে প্ৰস্তুতি অব্যাহত আছে। শংকৰী কলা-কৃষ্টিৰ চৰ্চা অব্যাহত ৰখা

এই নামঘৰত গায়ন-বায়নৰ পৰা আৰম্ভ কৰা অভিনেতা-অভিনেত্রীলৈকে প্রতিটো কাম শিশুৰ দ্বাৰা কৰোৱাৰ বাবে গাঁওবাসীয়ে প্রয়াস চলাইছে। অহা ২৬ মে'ত **ৰাৱনৰ মুক্তিলাভ** নামৰ এখন ভাওনা শিশুসকলৰ দ্বাৰা পৰিৱেশিত হ'ব।

০০০০০০০

কবিগুৰু ৰবীন্দ্র নাথ ঠাকুৰৰ ১৬৪ সংখ্যক জয়ন্তী উপলক্ষে আজি দেশৰ অন্যান্য প্রান্তৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত অনুষ্ঠানৰ আয়োজন কৰা হৈছে। হাইলাকান্দি জিলাৰ বিভিন্ন শিক্ষানুষ্ঠান, বেচৰকাৰী প্রতিষ্ঠানত ৰবীন্দ্র জয়ন্তী উদযাপন কৰা হৈছে। বৰাক উপত্যকা বংগ সাহিত্য আৰু সাংস্কৃতিক মঞ্চৰ উদ্যোগত হাইলাকান্দিত কেন্দ্রীয়ভাৱে আয়োজিত অনুষ্ঠানত কবিগুৰুৰ প্রতি শ্রদ্ধা জনাই ভালেমান কাৰ্যসূচী গ্রহণ কৰা হয়। মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই কবিগুৰু গৰাকীৰ জয়ন্তী উপলক্ষে শ্রদ্ধা জ্ঞাপন কৰে। এটা বাৰ্তাত মুখ্যমন্ত্রীগৰাকীয়ে কয় যে, কবিগুৰুৱে নিজৰ লিখনিৰ জৰিয়তে ভাৰতীয় সাহিত্যক সমৃদ্ধ কৰাৰ লগতে ৰাষ্ট্রীয় সংহতিকো সুদৃঢ় কৰিছিল।

০০০০০০

সুৰক্ষা, সাহায্য, স্বাস্থ্যসেৱা, সামাজিক সাহায্য আৰু সংহতিৰ প্রয়োজনীয়তা থকা লোকসকলৰ কাষত কাম কৰা লাখ লাখ স্বেচ্ছাসেৱক আৰু কৰ্মচাৰীৰ প্রতি সন্মান জনাই আজি বিশ্ব ৰেড ক্র'ছ বা ৰেড ক্রীচেণ্ট দিৱস পালন কৰা হৈছে। ৰেড ক্র'ছ বা ৰেড ক্রীচেণ্ট আন্দোলনৰ মানৱীয় কাম আৰু নীতিক সন্মান জনাই প্রতি বছৰে ৮ মে'ৰ দিনটো আন্তঃৰাষ্ট্রীয় ৰেড ক্র'ছ বা ৰেড ক্রীচেণ্ট দিৱস উদযাপন কৰা হয়। হেনৰি ডুৰাণ্ট নামৰ এগৰাকী ছুইছ নাগৰিকে আজিৰ পৰা ১৬০তকৈও অধিক বছৰ পূৰ্বে আন্তঃৰাষ্ট্রীয় ৰেড ক্র'ছ আন্দোলনৰ গুৰি ধৰিছিল। বিশ্বজুৰি এই আন্দোলনৰ সৈতে প্রায় ৮ কোটি লোক জড়িত হৈ আছে, যিসকলে দুৰ্যোগ, সংঘাত আৰু স্বাস্থ্য তথা সামাজিক সমস্যাৰ সন্মুখীন হোৱা লোকক সহায় কৰি আহিছে।

০০০০০০

ৰসমাপ্ত